**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 18-02-2026** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

---------------------------

***Headlines***

১। অসম বিধানসভাৰ বাজেট অধিবেশনত আজি ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা।

২। প্ৰাদেশিকীকৰণৰ যোগ্য শিক্ষানুষ্ঠানসমূহৰ বাবে ৰাজ্য চৰকাৰৰ অনলাইন প'ৰ্টেল মুকলি।

৩। অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা।

আৰু

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত মিচিংসকলৰ কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং উদযাপন।

০০০০০০০

পঞ্চদশ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি তৃতীয়দিনা সদনত ২০২৫-২৬ বৰ্ষৰ পৰিপূৰক দাবী মঞ্জুৰী সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। অধিৱেশনত সম্প্ৰতি প্ৰশ্নোত্তৰ শিতান চলি আছে। কাইলৈ অধিৱেশনৰ অন্তিম দিনা লেখানুদান সন্দৰ্ভত আলোচনা আৰু ভোটদান অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কালি সদনত ২০২৬-২৭ বৰ্ষৰ অন্তৰ্বৰ্তী লেখানুদান দাখিল কৰা হয়। সমাগত বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পূৰ্ণাংগ বাজেটৰ সলনি বিত্তমন্ত্ৰী অজন্তা নেওগে এই লেখানুদান দাখিল কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে প্ৰাৰম্ভিক চাৰি মাহৰ বাবে ৬২ লাখ ২৯ হাজাৰ ৪৭৮ টকাৰ লেখানুদান দাখিল কৰে। পূৰ্ণাংগ বাজেট উত্থাপন নকৰা পৰ্যন্ত চৰকাৰৰ কাম-কাজ চলাই নিবলৈ এই লেখানুদান দাখিল কৰা হৈছে বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰে। এই লেখানুদানত ২০২৬-২৭ বৰ্ষত বিকাশৰ হাৰ ১৬ দশমিক ৯-৩ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে। একেদৰে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন চাৰে ৮ লাখ কোটি টকাৰো অধিক হ'ব বুলি বিত্তমন্ত্ৰীগৰাকীয়ে লেখানুদানত প্ৰকাশ কৰিছে।

০০০০০০

ৰাজ্যৰ শিক্ষাখণ্ড আৰু ইয়াৰ সৈতে জড়িতসকলৰ বাবে ঐতিহাসিক পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰাদেশিকীকৰণ ব্যৱস্থাপনা প্ৰণালী প'ৰ্টেল মুকলি কৰে। ২০১৭ চনৰ অসম শিক্ষা, শিক্ষকৰ সেৱা প্ৰাদেশিকীকৰণ আৰু শিক্ষানুষ্ঠান পুনৰ গঠন আইনৰ ২০২৫ চনৰ সংশোধনীৰ আধাৰত এই প'ৰ্টেলটো মুকলি কৰা হৈছে। এই ডিজিটেল ব্যৱস্থাই ৰাজ্যৰ যোগ্যতাসম্পন্ন অপ্ৰাদেশিকীকৃত প্ৰতিষ্ঠানসমূহৰ প্ৰাদেশিকৰণৰ প্ৰক্ৰিয়া সৰল কৰি তোলাত সহায় কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে প্ৰাদেশীকিকৰণ প্ৰক্ৰিয়াত স্বচ্ছতা, দক্ষতা আৰু ন্যায্যতা নিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

বাইট

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই ব্যৱস্থা অধিক শক্তিশালী শিক্ষা ব্যৱস্থা গঢ়ি তোলাৰ দিশে গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ'ব আৰু ৰাজ্যত সকলোৰে বাবে গুণগত শিক্ষা সুনিশ্চিত কৰাত ই সহায় কৰিব।

0000000

নিৰ্বাচন আয়োগে অসমকে ধৰি ১০ খন ৰাজ্যৰ ৩৭ খন ৰাজ্যসভা আসনৰ বাবে নিৰ্বাচনীসূচী ঘোষণা কৰিছে। এই আসনকেইখনৰ বাবে অহা ২৬ ফেব্ৰুৱাৰীত অধিসূচনা জাৰি কৰা হ'ব আৰু ইচ্ছুক প্ৰাৰ্থীসকলে ৫ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব পাৰিব। ৬ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। ইচ্ছুক প্ৰাৰ্থীসকলে ৯ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ১৬ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব। সিদিনাখনেই বিয়লি ৫ বজাত ভোটগণনা কৰা হ'ব। ২০ মাৰ্চৰ ভিতৰত নিৰ্বাচন প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। উল্লেখযোগ্য যে অসমৰ সাংসদ – ভূবনেশ্বৰ কলিতা, ৰামেশ্বৰ তেলী আৰু অজিত কুমাৰ ভূঞাৰ কাৰ্যকালৰ অহা ৯ এপ্ৰিলত অন্ত পৰিব।

0000000

————ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি মিচিং জনজাতীয় লোকসকলে মাহজোৰা প্ৰস্তুতিৰ অন্তত কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং পালন কৰিছে। এই উৎসৱক লৈ মিচিং বসতিপ্ৰধান অঞ্চলসমূহত উখল-মাখল পৰিৱেশ বিৰাজ কৰিছে। অসমীয়া সমাজ জীৱনৰ সমন্বয়ৰ সেঁতু গঢ়ি মিচিং জনজাতীয় লোকসকলে প্ৰতিবছৰে এই উৎসৱ পালন কৰি আহিছে। আলি মানে হৈছে শস্যৰ বীজ, আঃয়েৰ অৰ্থ হৈছে গা-গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং শব্দৰ অৰ্থ হৈছে ৰোপণ কাৰ্য। এই কৃষিভিত্তিক উৎসৱত বীজ ৰোপণ কাৰ্য আৰম্ভ কৰাৰ লগতে এই উৎসৱৰ সৈতে জড়িত গীত-নৃত্যসমূহে মিচিংসকলৰ ঐতিহ্য আৰু পৰম্পৰাক প্ৰতিনিধিত্ব কৰি আহিছে।

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু সদৌ গুৱাহাটী মিচিং কেবাঙৰ সহযোগত আজি পাঞ্জাবাৰীৰ শিল্পগ্ৰামত আলি-আয়ে-লৃগাঙৰ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কৃষি আৰু উদ্যান শস্য আদি বিভাগৰ মন্ত্ৰী অতুল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, বিধায়ক অতুল বৰা, ভূবন পেগু, নৱ কুমাৰ দলে, ভূবন গাম আৰু মিচিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ চায়েঙ্গীয়াই এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আলি-আয়ে-লৃগাং উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। আলি-আয়ে-লৃগাং উপলক্ষে ৰাজ্যৰ ১০ খন জিলাত চৰকাৰী বন্ধ ঘোষণা কৰা হৈছে।

**মাজুলী** আৰু লখিমপুৰ জিলাৰ বিভিন্ন স্থানত পুৱাৰে পৰা আলি-আয়ে-লৃগাঙৰ আয়োজন কৰা হৈছে। **ধেমাজি** জিলাৰ বিভিন্ন স্থানতো কৃষিভিত্তিক এই উৎসৱটো পালন কৰা হৈছে।

00000000

————চিৰাং জিলাৰ ৰুণীখাটাত কালি অনুষ্ঠিত এখন সভাত বিভিন্ন দলৰ ১৯৩ গৰাকী লোকে বি পি এফত যোগদান কৰে। ইউ পি পি এলৰ মুৰব্বী প্ৰমোদ বড়োৰ কেইবাজনো ঘনিষ্ঠয়ো কালি বি পি এফত যোগদান কৰে।

0000000

সমাগত বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ বুজ লোৱাৰ উদ্দেশ্যে তিনিদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা নিৰ্বাচন আয়োগৰ পূৰ্ণাংগ দলটোৱে আজি ৰাজ্যৰ ১০০ গৰাকী বুথ পৰ্যায়ৰ বিষয়াৰ সৈতেও মত বিনিময় কৰিব। তদুপৰি ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সৈতেও নিৰ্বাচন আয়োগৰ দলটো আলোচনাত মিলিত হ'ব। বিয়লি আয়োগৰ দলটোৱে এখন সংবাদমেল সম্বোধন কৰিব।

দলটোৱে কালি ৰাজ্যৰ স্বীকৃতিপ্ৰাপ্ত ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত বিজেপিৰ ডাঃ ৰণোজ পেগু, প্ৰদান বৰুৱা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, কংগ্ৰেছৰ ৰকিবুল হুছেইন, বি পি এফৰ দুৰ্গাদাস বড়ো, অসম গণ পৰিষদৰ সুনীল ৰাজখোৱাকে ধৰি কেইবাগৰাকী নেতাই অংশগ্ৰহণ কৰে। আয়োগৰ দলটোত মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ, নিৰ্বাচন আয়ুক্ত ডাঃ সুখবীৰ সিং সান্ধু আৰু ড° বিবেক যোশীৰ লগতে ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেল আৰু নিৰ্বাচন আয়োগৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

00000000

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাইলৈ শোণিতপুৰ, বিশ্বনাথ আৰু দৰং জিলাৰ মুঠ ৬ হাজাৰ ৫৬১ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হ'ব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আদি বিভাগৰ মন্ত্ৰী অশোক সিংহলেও অংশগ্ৰহণ কৰিব।

00000000

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত বৰ্তমান নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত চলি থকা গ্ৰুপ-ডিৰ এখন খেলত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ - ইউ এ ইয়ে বাতৰি যুগুতোৱাৰ পৰলৈকে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে ১৩ অ'ভাৰত তিনিটা উইকেট হেৰুৱাই ৭৯ ৰান সংগ্ৰহ কৰি খেলি আছে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লয়।

কলম্বোত বিয়লি ৩ বজাত গ্ৰুপ-এৰ এখন খেলত পাকিস্তান নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত বিয়লি ৭ বজাত ভাৰত আৰু নেডাৰলেণ্ডছৰ মাজত আজিৰ তৃতীয়খন খেল অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত যোৱা নিশা মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ-চিৰ এখন খেলত নেপালে স্কটলেণ্ডক ৭ উইকেটত পৰাজিত কৰে।

২০২১ সংস্কৰণৰ বিজয়ী অষ্ট্ৰেলিয়া টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। শ্ৰীলংকাৰ পাল্লেকেলেত কালি জিম্বাব'ৱে আৰু আয়াৰলেণ্ডৰ মাজৰ গ্ৰুপ-বিৰ এখন গুৰুত্বপূৰ্ণ খেল বৰষুণৰ বাবে এটাও বল নেখেলোৱাকৈ পৰিত্যক্ত ঘোষণা কৰাত দুয়োটা দলে সমানে পইণ্ট লাভ কৰে। এই ফলাফলৰ সুবাদত জিম্বাব'ৱে গ্ৰুপ-বিৰ পৰা ছুপাৰ এইটত প্ৰৱেশ কৰা দ্বিতীয়টো দলৰূপে পৰিগণিত হয়। শ্ৰীলংকাই ইতিপূৰ্বে গ্ৰুপ-বিৰ পৰা ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ৱেষ্ট ইণ্ডিজ গ্ৰুপ-চিৰ পৰা ছুপাৰ এইট পৰ্যায়ত প্ৰৱেশ কৰা প্ৰথমটো দল আৰু ইংলেণ্ড দ্বিতীয়টো দল হিচাপে বিবেচিত হৈছে।

000000000

**সমাপ্ত**